# 2016

## ASSAMESE

## ( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) প্ৰথম বৌদ্ধ মহাসংগীতি ক'ত অনুষ্ঠিত হৈছিল?

(খ) নিয়া প্ৰাকৃতৰ উদ্ধাৰকৰ্তা কোন?

(গ) 'সাৰিপুত্ৰ প্ৰকৰণ' কাৰ ৰচনা?

(ঘ) মাগধী প্ৰাকৃতৰ সৰ্বপ্ৰাচীন নিদৰ্শন ক'ত দেখা পোৱা যায়?

(ঙ) 'পউমচৰিয়'ৰ ৰচয়িতা কবিগৰাকীৰ নাম লিখা।

(চ) 'পিটক' শব্দৰ অৰ্থ কি?

(ছ) "Maharashtri was regarded as the Prakrit per excellence." কথাষাৰ কোনে কৈছিল?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) 'সন্দেশ ৰাসক' কাব্যখনিৰ ৰচকজনৰ নাম লিখি কাব্যখন কেইটা প্ৰক্ৰমত বিভক্ত, লিখা।

(খ) উপোসখ কি? উপোসখ অনুষ্ঠানটি কোন ধৰ্মৰ লগত জড়িত?

(গ) পালি ভাষাত ৰচিত ছন্দ সম্বন্ধীয় আৰু অলংকাৰ সম্বন্ধীয় গ্ৰন্থ দুখনৰ নাম লিখা।

(ঘ) জাতক কি? জাতক শব্দ কি অৰ্থত ব্যৱহৃত হৈছে?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) 'অভিজ্ঞান শকুন্তলম'ৰ পাঠত উল্লেখিত ষষ্ঠ অংকৰ পূৰ্ব প্ৰসংগ উত্থাপন কৰা।

(খ) 'কৰ্পূৰমঞ্জৰী'ৰ কবিগৰাকীৰ এটি চমু পৰিচয় দাঙি ধৰা।

(গ) ভাৰতীয় দূতকাব্যৰ পৰম্পৰাৰ শেহতীয়া নিদৰ্শন বুলি কোনখন গীতিকাব্যৰ নাম উল্লেখ কৰা হৈছে? এই কাব্যখনিৰ বিষয়বস্তু সম্পৰ্কে টোকা প্ৰস্তুত কৰা।

(ঘ) "অপ্পমাদো অমতপদং পমাদো মচ্চুনো পদং
অপ্পমত্তা ন মীয়ন্তি যে পমত্তা যথামতা।"

উক্ত গাঁথাশাৰী ক'ৰ পৰা উদ্ধৃত আৰু এই গাঁথাৰ দ্বাৰা কি অৰ্থ প্ৰকাশ কৰা হৈছে লিখি 'অমতপদং' শব্দৰ অৰ্থ লিখা।





৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) প্ৰাকৃত গীতিকাব্যৰ সৰ্বশ্ৰেষ্ঠ নিদৰ্শন 'গাহাসত্তসঈ' কাৰ দ্বাৰা ৰচিত, নাম উল্লেখ কৰি কাব্যখনিৰ বিষয়বস্তু সম্পৰ্কে বুজাই লিখা।

(খ) সাহিত্যিক প্ৰাকৃত বুলিলে কি বুজা? সাহিত্যিক প্ৰাকৃত-কেইটাৰ নাম উল্লেখ কৰি মাগধী প্ৰাকৃত সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(গ) 'অভিজ্ঞান শকুন্তলম' নাটকৰ ধীৱৰ আৰু ৰক্ষীসকলৰ কথোপকথনখিনি নিজৰ ভাষাৰে উল্লেখ কৰি তৎকালীন সমাজব্যৱস্থা কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ঘ) 'অপ্পমাদ' শব্দৰ অৰ্থ সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতামত উল্লেখ কৰি বৰ্গটিৰ সাৰ কথাখিনি পাঠৰ উদ্ধৃতিৰে লিখা।

(ঙ) বিষয়বস্তুৰ পৰিবেশন অনুযায়ী অপভ্ৰংশ সাহিত্যক কেনেদৰে ভাগ কৰা হৈছে লিখি যি কোনো এটি ভাগৰ পৰিচয় দাঙি ধৰা।

★★★